# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
# মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ চতুৰ্থ        বিষয় ঃ ভাষা-১ (অসমীয়া)        দ্বিতীয় সাময়িকী (এপ্ৰিল, মে’, জুন), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

**ছাত্ৰ-ছাত্ৰীয়ে -**

⇨ যুক্তাক্ষৰ গঠন কৰিব আৰু ভাঙি লিখিব পাৰিব।

⇨ যুক্তাক্ষৰযুক্ত শব্দ আৰু বাক্য লিখিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি দ্বিতীয় সাময়িকী (এপ্ৰিল, মে, জুন -২০১৮) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) লঘোন | - পাঠ নং ৪ |
| খ) পানী | - পাঠ নং ৫ |
| গ) দীঘল-ঠেঙীয়া | - পাঠ নং ৬ |
| ঘ) ৰাতিপুৰা | - পাঠ নং ৭ |
| ঘ) বীৰাংগনা মূলাগাভৰু | - পাঠ নং ৮ |

**পাতনি ঃ**

এই সমলসামগ্ৰীত “শিক্ষাৰ অধিকাৰ আইন - ২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুৱাবলৈ আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। NCF-২০০৫ অনুসৰি পাঠ্যক্ৰমত লিখনৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে।

গুণোৎসৱৰ মূল্যায়নৰ তথ্য পৰ্যৱেক্ষণ কৰি দেখা গৈছে যে লিখন কৌশল আহৰণত প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী এতিয়াও পিছপৰি আছে। সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে চতুৰ্থ শ্ৰেণীত লিখনত ভালফল দেখুৱাব পৰা নাই। বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰ চিনি নাপায় আৰু লিখিব নোৱাৰে। লিখন হৈছে মাতৃভাষা শিক্ষাদানৰ আটাইকেইটা ভাষিক কৌশলৰ ভিতৰত অতিশয় গুৰুত্বপূৰ্ণ কৌশল। এই লিখন কৌশল আহৰণৰ ক্ষেত্ৰত শিকন-ঘাটি থকা ধূসৰ ক্ষেত্ৰসমূহ চিনি উলিয়াই ছাত্ৰ-ছাত্ৰীক ঘাটি পূৰণৰ কাৰণে বিশেষ যত্ন লোৱাৰ প্ৰয়োজন আছে। ইয়াৰ বাবে যথেষ্ট অনুশীলনৰ আৱশ্যক। পাঠ্যপুথিত উল্লেখ থকা অনুশীলন বা ক্ৰিয়া-কলাপৰ উপৰি আমি শিক্ষকসকলে নিজে কিছুমান লিখনৰ ক্ৰিয়া-কলাপ ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিব পাৰোঁ। ছাত্ৰ-ছাত্ৰীক শুদ্ধৰূপত বৰ্ণ আৰু যুক্তাক্ষৰ লিখা, পৰিপাটি আৰু সুন্দৰ আখৰেৰে লিখা আৰু খৰকৈ অথচ শুদ্ধ বানানেৰে উপযুক্ত শব্দ প্ৰয়োগ কৰাৰ অনুশীলন দিব পাৰোঁ। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ প্ৰণালীবদ্ধ লিখন কৌশল আয়ত্তকৰণত সহায়ক হ’ব পৰাকৈ আমি শিক্ষক হিচাপে কৰিব পৰা শিক্ষণ-শিকন পৰিকল্পনা আৰু ক্ৰিয়া-কলাপৰ অভ্যাসেৰে এই গোটটো প্ৰস্তুত কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

⇨ মাতৃভাষাৰ ভেঁটি সবল কৰাৰ লগতে অন্যান্য বিদ্যায়তনিক বিষয়সমূহ শিকিবলৈ হ’লে লিখন কৌশলৰ অতি প্ৰয়োজন।

⇨ ছাত্ৰ-ছাত্ৰীসকলে লিখনিত যতি বিৰাম চিহ্নসমূহ সঠিকভাৱে ব্যৱহাৰ কৰিব পাৰিব; যতি বিৰাম চিহ্নৰ ভুল প্ৰয়োগে যে বাক্যৰ অৰ্থৰ পৰিৱৰ্তন ঘটায় সেই কথা বুজি পাব।

**এই সমল সামগ্ৰীটোৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ঃ**

⇨ এই সমলসামগ্ৰীখিনি অধ্যয়নৰ দ্বাৰা আমি ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ বিকাশৰ বাবে ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ পৰিকল্পনা কৰিব পাৰিম।

⇨ আমি ছাত্ৰ-ছাত্ৰীৰ লিখনৰ ধূসৰ ক্ষেত্ৰসমূহ চিনাক্ত কৰি অভ্যাস অনুশীলনৰ যোগেদি আঁতৰ কৰাৰ চেষ্টা কৰিব পাৰিম।

⇨ ছাত্ৰ-ছাত্ৰীৰ লিখন দক্ষতা বিকাশ সাধন কৰাৰ লগতে তাৰ আত্ম মূল্যায়ন কৰিব পাৰিম।

⇨ নতুন নতুন উদ্ভাৱনী চিন্তাৰ ক্ৰিয়া-কলাপেৰে শ্ৰেণী কোঠা গতিশীল কৰিব পাৰিম।

**লিখন দক্ষতা বিকাশৰ ব্যৱস্থাৱলী ঃ**

⇨ এই সমল সামগ্ৰী অধ্যয়ন কৰি বানান শুদ্ধিকৰণৰ বাবে উপযুক্ত কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব পৰা।
⇨ বানান শিকনৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা অনুধাৱন কৰিব পৰা।
⇨ অভ্যাস আৰু অনুশীলনৰ জৰিয়তে বানান ভুলৰ সমস্যাৰ পৰা হাত সাৰিব পৰা।
⇨ ক্ৰিয়া-কলাপ অনুশীলনীৰ পৰিকল্পনা কৰিব পৰা।
⇨ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অগ্ৰগতিৰ মান নিৰূপন কৰিব পৰা।
⇨ লিখনৰ দ্ৰুততা বৃদ্ধিৰ বাবে ব্যৱস্থা ল'ব পৰা।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপত উপস্থাপন কৰা হ'ল -**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ক) যুক্তাক্ষৰ গঠন কৰিব পাৰিব। | ⇨বৰ্ণকাৰ্ড | ক্ৰিয়া-কলাপ | খালী ঠাই পূৰ কৰা ঃ<br>ন + ধ + ৰ = □ , শ + ৰ + উ = □ ,<br>ল + ম + ঔ = □ , | অবিৰত আৰু সামগ্ৰীক মূল্যায়ন |
| ⇨ যুক্তাক্ষৰ ভাঙি লিখিব পাৰিব। | ⇨বৰ্ণ কাৰ্ড | ক্ৰিয়া-কলাপ | ⇨ ক্ষ + □ = ক্ষ্ম, □ + ছ = ঞ্ছ,<br>ত + □ = ত্ব, □ + □ = ষ্ণ,<br>□ + □ = স্ব, □ + □ = জ্ব, | |
| খ) যুক্তাক্ষৰযুক্ত শব্দ লিখিব পাৰিব। | ⇨যুক্তাক্ষৰযুক্ত শব্দৰ তালিকা, যুক্তাক্ষৰযুক্ত বৰ্ণ কাৰ্ড, অভিধান। | ক্ৰিয়া-কলাপ | ⇨তলত দিয়া যুক্তাক্ষৰবোৰ ব্যৱহাৰ কৰি পাঠত থকা শব্দবোৰৰ উপৰি অন্য শব্দ গঠন কৰা - ক্ষ্ণ, ন্ত, ম্ল, ঙ্গ, ণ্ড, স্থ, স্ত্ৰ, ন্ধ্ৰ, ক্ষ্মী, ণ্ডু। | |
| ⇨ যুক্তাক্ষৰযুক্ত শব্দ ব্যৱহাৰ কৰি আৱেদন লিখিব পাৰিব। | ⇨যুক্তাক্ষৰযুক্ত শব্দ কাৰ্ড | | ⇨তলৰ শব্দবোৰৰ অৰ্থ লিখি বাক্য ৰচনা কৰা - সস্তা, অশ্ৰু, বিস্ময়, শত্ৰু, শাস্ত্ৰ, স্কুল। | |
| | ⇨আৱেদন পত্ৰৰ নমুনা। | ক্ৰিয়া-কলাপ | ⇨দহটা যুক্তাক্ষৰযুক্ত শব্দ ব্যৱহাৰ কৰি প্ৰধান শিক্ষকলৈ ছুটি বিচাৰি এখন আৱেদন লিখা। | |

**ক্ষেত্ৰ অধ্যয়ন** (Case Study) **ঃ-** পূৱ মিলনপুৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী ৰুমী ডেকাই পাঠ্যপুথিৰ পাঠ নং- ৫, ৬, ৮ ত থকা **প্ৰকাণ্ড, সুক্ষ্ম** আদি শব্দৰ যুক্তাক্ষৰসমূহ লিখিবলৈ আৰু শিকাবলৈ যাওঁতে ছাত্ৰ-ছাত্ৰীসকলে সেইবোৰ আয়ত্ত কৰাত অসুবিধা পোৱাটো লক্ষ্য কৰিছিল। পাঠত থকা ক্ৰিয়া-কলাপসমূহৰ উপৰি আৰু অন্য ধৰণে শ্ৰেণীকোঠাত ক্ৰিয়া-কলাপ কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ উক্ত শিকন ঘাটিসমূহ সহজে পূৰণ কৰিব পৰা যাব বুলি ৰুমী ডেকাই ভাবিছিল। সেয়েহে তেওঁ এটা নতুন ক্ৰিয়া-কলাপ পৰিকল্পনা কৰি কিছুমান শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰি ললে।

**প্ৰস্তুতিঃ**

⇨ বৰ্ণ কাৰ্ড - ক্ষ, ম, ঙ, গ, ল, ন, স আদি।

⇨ যুক্তাক্ষৰযুক্ত বৰ্ণৰ কাৰ্ড - ক্ষ্ম, ঙ্গ, ম্ল, ন্স।

⇨ যুক্তাক্ষৰযুক্ত শব্দৰ ৰঙীন তালিকা - **সুৰঙ্গ, অঙ্গ, সঙ্গ, প্ৰসঙ্গ, প্ৰাসঙ্গিক, সুক্ষ্ম, যক্ষ্মা, লক্ষ্মী, লক্ষ্মণ** ইত্যাদি।

শিক্ষয়িত্ৰী ৰুমী ডেকাই শ্ৰেণীকোঠালৈ গৈ ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন দলত ভাগ কৰি হাতত একোখনকৈ বৰ্ণ কাৰ্ড দিছিল। এজনৰ হাতত (ক্ষ) লিখা কাৰ্ড আৰু ওচৰৰ জনৰ হাতত (ম) লিখা কাৰ্ড দিছিল। তাৰ পাছত তেখেতে দুজন ছাত্ৰৰ হাত একে লগ কৰি তাত (ক্ষ্ম) লিখা কাৰ্ড দিছিল। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক বুজাইছিল যে (ক্ষ) আৰু (ম) বৰ্ণ দুটা লগ হৈ একেলগ কৰা হাত দুখনত থকা 'ক্ষ্ম' যুক্তাক্ষৰটো হৈছে। এনেধৰণে তেখেতে আন দহজন ছাত্ৰ-ছাত্ৰীৰ মাজত পাঁচটা যুক্তাক্ষৰৰ কাৰ্ড দি ক্ৰিয়া-কলাপ কৰাইছিল আৰু নিৰ্দিষ্ট যুক্তাক্ষৰবোৰক নিজৰ টোকা বহীত লিখিবলৈ দিছিল। তাৰ ফলত সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যুক্তাক্ষৰবোৰ চিনি পাই যুক্তাক্ষৰবোৰ ভাঙি আৰু গঠন কৰি লিখিব পৰা হৈছিল। ৰুমী ডেকাই শ্ৰেণীকোঠাৰ বেৰত এখন যুক্তাক্ষৰযুক্ত শব্দৰ ৰঙীন আৰু আকৰ্ষণীয় তালিকাও আঁৰি দিছিল। ছাত্ৰ-ছাত্ৰীসকলে বৰ মনোযোগেৰে এই কাৰ্যত অংশগ্ৰহণ কৰিছিল। ইয়াৰ পাচত ৰুমী ডেকাই ছাত্ৰ-ছাত্ৰীসকলক পাঠৰ কিছু দফা টোকা বহীত প্ৰতিলিপি কৰিবলৈ আৰু শ্ৰুতলিপি হিচাপে লিখিবলৈ দিছিল।

*বিঃদ্ৰঃ - ৰুমী ডেকাই শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম দুজন ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিছিল।*

**চিন্তা কৰি চাওঁ আহক ঃ**

ৰুমী ডেকাৰ ক্ৰিয়া-কলাপ অনুশীলন আৰু পৰিকল্পনাৰ আতঁ ধৰি ভাবি চাওঁচোন -

⇨ ৰুমী ডেকাই পাঠত যুক্তাক্ষৰ থকা স্বত্বেও কিয় যুক্তাক্ষৰ আৰু বৰ্ণ কাৰ্ড প্ৰস্তুত কৰিছিল?

⇨ যুক্তাক্ষৰ শিকাবৰ বাবে পাঠত ক্ৰিয়া-কলাপ থকাৰ পাছত কাৰ্ড আৰু চাৰ্টৰ সহায়ত যুক্তাক্ষৰৰ ধাৰণা দিবলৈ কিয় চেষ্টা কৰিছিল ?

⇨ পৰিপূৰক ক্ৰিয়া-কলাপ দুটাই শ্ৰেণীকোঠাত লিখনৰ পৰিৱেশ গঢ়ি তুলিব পাৰিছে বুলি আপুনি ভাবেনে?

⇨ ৰুমী ডেকাই কৰা ক্ৰিয়া-কলাপৰ দৰে আমিও শ্ৰেণীকোঠাত উদ্ভাৱনীমূলক নতুন ক্ৰিয়া-কলাপ কৰিব নোৱাৰো নে?

ওপৰত বৰ্ণনা কৰা ৰুমী ডেকাৰ ক্ৰিয়া-কলাপটোৰ আলমত তলত দিয়া ধৰণে আমিও আমাৰ শ্ৰেণীকোঠাত ক্ৰিয়া-কলাপ কৰি চাওঁ আহক -

**ক্ৰিয়া-কলাপ ঃ**

চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে দুটা একে আখৰেৰে গঠিত যুক্তাক্ষৰ, দুটা বা ততোধিক ভিন ভিন বৰ্ণৰ যুক্তাক্ষৰ আৰু ৰূপসলনি হোৱা যুক্তাক্ষৰবোৰ লিখোঁতে প্ৰায়েই ভুল কৰে। গতিকে ছাত্ৰ-ছাত্ৰীৰ ওপৰত উল্লেখ কৰা ভুলসমূহে পঠনৰ লগতে লিখনতো বিৰূপ প্ৰভাৱ পেলায়। তাৰ কাৰণে ছাত্ৰ-ছাত্ৰীসকলে পাঠৰ সঠিক অৰ্থ উদ্ধাৰ কৰিব নোৱাৰে আৰু পাঠবোৰ বুজি পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিবলৈ আৰু লিখিবলৈ সমৰ্থ নহয়।

সেই কাৰণে আমি তলত দিয়া ধৰণৰ ক্ৰিয়া-কলাপৰ জৰিয়তে এইবোৰ সমস্যা আঁতৰাব পাৰোঁ নেকি চাওঁ আহক -

**প্ৰস্তুতি ঃ** এই ক্ৰিয়া-কলাপটো শ্ৰেণীকোঠাত কাৰ্যকৰী কৰাৰ কাৰণে আমি তলত দিয়া ধৰণে চাৰিখন যুক্তাক্ষৰৰ তালিকা আগতীয়াকৈ প্ৰস্তুত কৰি ল'ব পাৰোঁ।

⇨ **যুক্তাক্ষৰৰ তালিকা ঃ**

| তালিকা-১ | তালিকা-২ | তালিকা-৩ | তালিকা-৪ |
|---|---|---|---|
| দুটা একে আখৰৰ যুক্তাক্ষৰ | দুটা আখৰৰ যুক্তাক্ষৰ | দুটাতকৈ অধিক আখৰৰ যুক্তাক্ষৰ | স্বৰচিহ্নযুক্ত যুক্তাক্ষৰ |
| ক্ক, ব্ব, ত্ত, ন্ন, প্প | ক্ষ্ম, ন্ত, ম্ল, ন্স, জ্ব | স্ত্ৰ, ন্ধ্ৰ, ন্ত্ৰ | ক্ষ্মী, ণ্ডু, ন্দো<br>শ্ৰে, ন্ধা |

ছাত্ৰ-ছাত্ৰীসকলক পাঠত থকা দুটা বা ততোধিক বৰ্ণৰ যুক্তাক্ষৰ আৰু স্বৰচিহ্নযুক্ত যুক্তাক্ষৰ চিনি পাইছে নে আৰু লিখিব পাৰিছেনে চাবলৈ তলত দিয়া ক্ৰিয়া-কলাপটো কৰিব পাৰি।

প্ৰথমতে ছাত্ৰ-ছাত্ৰীসকলক চাৰিটা দলত ভগাই লৈ ওপৰত উল্লিখিত যুক্তাক্ষৰৰ তালিকাখনৰ মতে চাৰিও ভাগ লটাৰী যোগে ভগাই দিব । তাৰ পাছত প্ৰতিটো দলকে নিজৰ ভাগৰ যুক্তাক্ষৰবোৰ ভাঙিবলৈ উৎসাহিত কৰিব । এই যুক্তাক্ষৰবোৰ ভঙাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে যুক্তাক্ষৰৰ ভাগবোৰ বুজি পোৱাত সহজ হ'ব। তাৰ পাছত দলগতভাৱে সেই যুক্তাক্ষৰবোৰেৰে একোটাকৈ শব্দ গঠন কৰিবলৈ দিব। তেওঁলোকে লিখা শব্দবোৰৰ অৰ্থ লিখিবলৈও দিব পাৰি। অৰ্থ লিখোঁতে অসুবিধা হ'লে তেওঁলোকে অভিধান চাই শুদ্ধ কৰিব পাৰিব। তাৰ পাছত সেই শব্দবোৰৰে একোটাকৈ বাক্য লিখিবলৈ দিব। সেই বাক্যবোৰ আমি শ্ৰুতলিপি দিবলৈও ব্যৱহাৰ কৰিব পাৰোঁ। শ্ৰেণীকোঠাত এনেধৰণৰ ক্ৰিয়া-কলাপটো কৰিলে ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাত সক্ৰিয় হৈ বিষয়বস্তুৰসৈতে একাত্ম হৈ যুক্তাক্ষৰ লিখন আৰু পঠন কৌশল আয়ত্ত কৰিব পাৰিব।

*বিঃ দ্ৰঃ*

⇨ *শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।*

⇨ *লিখন কৌশল বিকাশৰ বাবে আটাইতকৈ প্ৰভাৱশালী ক্ৰিয়া-কলাপ হৈছে শ্ৰুতলিপি। সেইবাবে আমি শিক্ষক হিচাপে শ্ৰেণীকোঠাত পাৰ্যমানে শ্ৰুতলিপি দিব পাৰোঁ নেকি ভাবোঁ আহক!*

**সাৰাংশ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে দুটা আৰু ততোধিক বৰ্ণৰ যুক্তাক্ষৰ, স্বৰচিহ্নযুক্ত যুক্তাক্ষৰ গঠন কৰিব আৰু ভাঙিব পাৰিব লগতে পঢ়িব আৰু লিখিব পাৰিব।

⇨ বাৰে বাৰে কৰা মূল্যায়নৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ লিখন কৌশল উন্নত হ'ব।

⇨ যুক্তাক্ষৰৰ ধাৰণা শুদ্ধ হোৱা বাবে পঠন আৰু লিখনৰ দ্ৰুততা বাঢ়িব।

⇨ যুক্তাক্ষৰৰ উচ্চাৰণ স্পষ্ট হোৱা বাবে শব্দ আৰু বাক্যৰ অৰ্থোদ্ধাৰৰ সমস্যা আঁতৰিব।

**দৃঢ়ীকৰণ ঃ** ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন -

⇨ তলত দিয়া যুক্তাক্ষৰবোৰ ব্যৱহাৰ কৰি পাঠত থকা শব্দবোৰৰ উপৰি অন্য শব্দ গঠন কৰা।

ক্ষ্ম, ন্ত, ম্ল, ঙ্গ, ণ্ড, স্থ, স্ত্ৰ, ন্ধ্ৰ, ক্ষ্মী, ণ্ডু, ন্দো।

⇨ তলৰ শব্দবোৰ ব্যৱহাৰ কৰি দুটাকৈ বাক্য লিখা ঃ

প্ৰাসঙ্গিক, সূক্ষ্ম, অঙ্গ, লক্ষ্মণ, বজ্ৰ, অস্ত্ৰ, কাণ্ড, আন্ধাৰ, জন্মাষ্টমী, কল্মৌ।

⇨ দহটা যুক্তাক্ষৰথকা শব্দ ব্যৱহাৰ কৰি প্ৰধান শিক্ষকলৈ ছুটী বিচাৰি এখন আবেদন লিখা।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

⇨ খালীঠাই পূৰ কৰা

| | | |
|---|---|---|
| ক) ক্ষ + = ক্ষ্ম | খ) + ছ = ঞ্ছ | গ) ত + = ত্ব |
| ঘ) + = ষ্ণ | ঙ) + = স্ব | চ) + = জ্র |
| ছ) ন + ধ + ৰ = | জ) শ + ৰ + উ = | ঝ) ল + ম + ঔ = |

⇨ তলত দিয়া শব্দবোৰৰ অৰ্থ লিখি বাক্য ৰচনা কৰা।

সস্তা, অশ্রু, বিস্ময়, শত্রু, শাস্ত্র, স্কুল

⇨ **বাওঁফালৰ শব্দৰ লগত সোঁফালৰ অৰ্থবোৰ মিলাই লিখা ঃ**

| | |
|---|---|
| অশ্রু | আচৰিত |
| বিস্ময় | চকুপানী |
| সস্তা | বিদ্যালয় |
| স্কুল | কম দাম |
| সুক্ষ্ম | গিৰীয়েক |
| স্বামী | সৰু |

**প্ৰসংগ টোকা ঃ**

⇨ পাঠ্যপুথি - অংকুৰণ।

⇨ অসমীয়া আখৰ জোঁটনি - গুৱাহাটী বিশ্ববিদ্যালয়।

⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

***